# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
**::::::::::::::::::::::::::::::::::::::::::**

ভূমি নথি ডিজিটেল ব্যৱস্থাৰে সংৰক্ষণৰ ক্ষেত্ৰত বিটিচি উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে ষষ্ঠ অনুসূচী পৰিষদ হিচাপে পৰিগণিত হৈছে। বিটিচিৰ সচিবালয়ত আজি অনুষ্ঠিত এখন বৈঠকত পৰিষদৰ ভূমি ৰাজহ বিভাগৰ কাৰ্যবাহী সদস্য ৰণজিত বসুমতাৰীয়ে কয় যে, পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ নেতৃত্বাধীন পৰিষদে এই ক্ষেত্ৰত দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, বিটিচিৰ জিলাসমূহে উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথম আৰু একমাত্ৰ ষষ্ঠ অনুসূচীভুক্ত পৰিষদ হিচাপে ইয়াৰ ৰাজহ গাঁৱসমূহৰ সকলো ধৰণৰ ভূমি নথি ডিজিটেল ব্যৱস্থাৰে সংৰক্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, বিগত ৪ টা বছৰত ২ লাখতকৈ অধিক ভূমি পট্টা বিতৰণ কৰা হৈছে। মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ৰ অধীনত ৮০ হাজাৰতকৈ অধিক ভূমি সম্পৰ্কীয় বিষয়ে নিষ্পত্তি কৰা হৈছে। অঞ্চলটোত সম্প্ৰতি ১৬ টা ভূমি আৰু ভূমি ৰাজহ সম্পৰ্কীয় সেৱা আছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে ক্ষুদ্ৰ চাহ খেতিয়কসকলক সকলোকে এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনায়। ৰবৰ খেতিৰ সৈতে জড়িত কৃষকসকলৰ ক্ষেত্ৰতো এই ব্যৱস্থা প্ৰযোজ্য হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০

অবৈধ অনলাইনৰ ট্ৰেডিঙৰ গোচৰত অভিযুক্ত দীপাংকৰ বৰ্মনক গোৱাৰ পৰা আজি গুৱাহাটীলৈ লৈ অনা হৈছে। সম্প্ৰতি লোকজনক পানবজাৰ থানাত ৰখা হৈছে। আৰক্ষী অপৰাধ অনুসন্ধান শাখাই তেঁওক জেৰা চলাব বুলিও জানিব পৰা গৈছে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি অনলাইন ট্ৰেডিং প্ৰৱঞ্চনা গোচৰত অভিযুক্ত দীপাংকৰ বৰ্মন পলাতক অৱস্থাত আছিল।

০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সৌজন্যত তথা অসম ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত ৰাজ্যখনৰ বিদ্যালয়সমূহৰ মাজত আয়োজিত ৰাষ্ট্ৰীয় লোকনৃত্য প্ৰতিযোগিতাত মৰিগাওঁ জিলা দলটোৱে অসমৰ ভিতৰতে দ্বিতীয় দল হিচাপে সন্মান লাভ কৰিছে। প্ৰদীপ পাটৰৰ নেতৃত্বত যোৱা

অলকাপুৰ শ্বহিদ শুক্লেশ্বৰ কোঁৱৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলটোৰ কৃতিত্বত মৰিগাওঁৰ শৈক্ষিক তথা বৌদ্ধিক সমাজে অভিনন্দন জনাইছে।

০০০

- মন্ত্ৰী অতুল বৰাই আজি যোৰহাটত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কাৰ্যালয়ত পশু চিকিৎসা বিষয়া আৰু খণ্ড পশু চিকিৎসা বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বানৰ সময়ত জিলাখনৰ পশুধন আৰু হাঁহ-কুকুৰা ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত বিভাগটোৰ প্ৰদৰ্শন, পিয়লৰ স্থিতি সম্পৰ্কত বৈঠকত মূল্যায়ন কৰা হয়। বৈঠকত পশুধনৰ টীকাকৰণৰ স্থিতি, কৃত্ৰিম প্ৰজনন, কিষাণ ক্ৰেডিট কাৰ্ডৰ হিতাধিকাৰীৰ সংখ্যা আদিকে ধৰি বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়। আলোচনাকালত তেওঁ চৰকাৰী আঁচনি ৰূপায়ণ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ জৰিয়তে পশুধন আৰু হাঁহ-কুকুৰা পালন খণ্ডৰ সৈতে জড়িত হ'বলৈ আগ্ৰহী যুৱ উদ্যমীসকলক বিভাগৰ তৰফৰ পৰা সম্ভৱপৰ সকলো সা-সুবিধা প্ৰদান কৰিবলৈ বিষয়াসকলক তেওঁ আহ্বান জনায়।

০০০

চৰাইদেউ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ সহযোগত ধপাত সেৱনৰ প্ৰভাৱ, কৰ্কট ৰোগ আৰু মানসিক স্বাস্থ্য সম্পৰ্কত এখন সজাগতা সভা সোণাৰী থানাত অনুষ্ঠিত হয়। দুমাহযোৰা কাৰ্যসূচীৰে জিলাখনত চলি থকা দ্বিতীয় পৰ্যায়ৰ ধপাতমুক্ত যুৱ অভিযানৰ অংশ হিচাপে এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই অনুষ্ঠানত মুখৰ কৰ্কট ৰোগ আৰু স্তনৰ কৰ্কট ৰোগ আগতীয়াকৈ চিনাক্তকৰণৰ কিছুমান সহজ কৌশল প্ৰদৰ্শন কৰা হয়। তদুপৰি মানসিক স্বাস্থ্য সজাগতা সম্পৰ্কে এটা প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০

মাজুলী জিলা আয়ুক্তৰ অধ্যক্ষতাত আজি জিলা উন্নয়ন সমিতিৰ এই মাহৰ বৈঠকখন অনুষ্ঠিত হয়। জিলা আৰক্ষী অধীক্ষকৰ উপৰি জিলা প্ৰশাসনৰ বিভিন্ন শীৰ্ষ বিষয়াৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত বিভিন্ন বিভাগসমূহে গ্ৰহণ কৰা উন্নয়নমূলক কাম-কাজ পৰ্যালোচনা কৰা হয়। সভাত জিলা আয়ুক্তই সকলো বিভাগক নিজৰ নিৰ্ধাৰিত কাম-কাজ সময়মতে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০

নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ সমাগত উপ-নিৰ্বাচনত ৮৫ বছৰৰ উৰ্ধৰ বয়োজ্যেষ্ঠ ভোটদাতা আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে জিলাখনৰ নিৰ্বাচনী বিভাগে পোষ্টেল বেলট পেপাৰৰ জৰিয়তে নিজৰ গৃহতেই ভোটাধিকাৰ সাব্যস্ত কৰাৰ ব্যৱস্থা কৰিছে। নিৰ্বাচনী বিষয়াসকলে বিধানসভা সমষ্টিটোৰ এনে ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ৪ আৰু ৫ নৱেম্বৰত প্ৰথম পৰ্যায় আৰু ৬ নৱেম্বৰত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণৰ প্ৰক্ৰিয়া অনুষ্ঠিত কৰিব।

০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ২০২৫ বৰ্ষৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিছে। ভোটদাতাসকলে বিশেষ সংক্ষিপ্ত সংশোধনী সন্দৰ্ভত নিজৰ ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। আজিৰ পৰা ২৮ নৱেম্বৰৰ ভিতৰত নাগৰিকে দাবী বা আপত্তি দৰ্শাব পাৰিব। এই সময়ছোৱাত ৰাজ্যবাসীয়ে প্ৰ-পত্ৰ ৬, ৬(ক), ৭ আৰু ৮ পূৰণ কৰিব পাৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে ৯, ১০, ১৬ আৰু ১৭ নৱেম্বৰত বিশেষ প্ৰচাৰৰ দিন ধাৰ্য কৰিছে। খচৰা ভোটাৰ

তালিকা সন্দৰ্ভত দাবী আৰু আপত্তিসমূহ অহা ২৪ ডিচেম্বৰত নিষ্পত্তি কৰা হ'ব। আনহাতে অহা ৬ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ভোটদাতাসকলে www.ceoassam.nic.in ৱেবছাইটযোগে ভোটাৰ তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। জিলা নিৰ্বাচন কাৰ্যালয়, ই আৰ অ' অথবা চক্ৰ বিষয়াৰ কাৰ্যালয়ত নাইবা সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰতো নিজৰ নাম চাব পাৰিব।

০০০

থাইলেণ্ডত অনুষ্ঠিত আন্তৰ্ৰাষ্ট্ৰীয় যোগ ক্ৰীড়া প্ৰতিযোগিতাত দুটাকৈ স্বৰ্ণ পদক অৰ্জন কৰা মৰিগাওঁৰ ছাত্ৰী জাহ্নবী গোস্বামীক আজি জিলাখনত অভিনন্দন জনোৱা  হয়। এই উপলক্ষে পবিতৰা হাত প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত জিলা আয়ুক্তই তেওঁক আনুষ্ঠানিকভাৱে আদৰণি জনায়।

০০০

ঃঃ সমাপ্ত ঃঃ